**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
——————————————

অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক কাইলৈ নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কাইলৈ দিনৰ ১১ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰিব। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ পদৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। ইপিনে, চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত নিৰ্বাচিত ১২০গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব।

ইপিনে ৫ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০

আজি অসম দিৱস। বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি শিৱসাগৰ জিলাৰ নাজিৰা খেলপথাৰত অসম দিৱস দিনজোৱা কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী যোগেন মহন, পীযুষ হাজৰিকাৰ সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, চক্ৰধৰ গগৈ, প্ৰদীপ হাজৰিকা আৰু সুশান্ত বৰগোহাঁই উপস্থিত থাকিব। গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ বন্তিৰাণী গগৈ ফুকন নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব। অসম সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু টাই-আহোন উন্নয়ন পৰিষদৰ উদ্যোগত শিৱসাগৰ জিলা প্ৰশাসন আৰু আটাছু নাজিৰা মহকুমা সমিতিৰ উদ্যোগত এই অসম দিৱস উদযাপন কৰা হ'ব।

০০০০০০

শিৱসাগৰ চহৰৰ ব'ৰ্ডিং খেলপথাৰৰ জুবিন গাৰ্গ ক্ষেত্ৰত কালিৰে পৰা দশম শিৱসাগৰ গ্ৰন্থ উৎসৱ অনুষ্ঠিত হৈছে। স্বেচ্ছাসেৱী অনুষ্ঠান 'খোজ'ৰ উদ্যোগত অনুষ্ঠিত এই গ্ৰন্থ উৎসৱ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালকপ্ৰধান ড০ কুলধৰ শইকীয়াই উদ্বোধন কৰে। এই গ্ৰন্থমেলা উদ্বোধনী অনুষ্ঠানত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপক সঞ্জয় দাসে সম্পাদনা কৰা স্মৃতিগ্ৰন্থ **খোজ** ড০ কুলধৰ শইকীয়াই উন্মোচন কৰে। সাহিত্য উৎসৱ উদ্বোধন কৰি ড০ কুলধৰ শইকীয়াই কয়, যে এনে ধৰণৰ গ্ৰন্থ উৎসৱে অসমীয়া ভাষা আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। অসমীয়া ভাষাৰ মূল্যবান গ্ৰন্থৰ সম্ভাৰ ডিজিটেল বিশ্বৰ সৈতে সংযোজিত কৰিব পাৰিলেহে অসমীয়া ভাষাই বিশ্বৰ অন্যান্য ভাষাৰ সৈতে ফেৰ মাৰিব পাৰিব।

*(বাইট ঃ কুলধৰ শইকীয়া)*

১১ ডিচেম্বৰলৈ হ'বলগীয়া দশম শিৱসাগৰ গ্ৰন্থ উৎসৱৰ লগত সংগতি ৰাখি প্ৰতিদিনে কুইজ, সংগীত, ৰচনা, নৃত্য, কবিতা আবৃত্তি আদিৰ লগতে বহু কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০

লখিমপুৰ মাণ্ডলিক কৃষি গৱেষণা কেন্দ্ৰত কালি কৃষক আৰু বিজ্ঞানীৰ আলাপ অনুষ্ঠানৰ লগতে কৃষক মেলা অনুষ্ঠিত হয়। এই মেলাত আমন্ত্ৰিত কৃষকসকলে ধানৰ প্ৰকাৰৰ কেফেটেৰিয়া অৰ্থাৎ বিভিন্ন জাতৰ ধানৰ পথাৰ প্ৰদৰ্শন কৰে। কৃষকসকলে এই মেলাত বিভিন্ন ধৰণৰ ধানৰ প্ৰকাৰৰ মাজত তুলনা, মূল্যায়ন আৰু প্ৰত্যক্ষ অভিজ্ঞতাৰ জৰিয়তে তেওঁলোকৰ বাবে উপযুক্ত জাতটো বাছনি কৰিব পাৰে। কেফেটেৰিয়াসমূহ হৈছে – পথাৰ প্ৰদৰ্শনৰ এনে এটা ব্যৱস্থা য'ত উন্নত জাতৰ ধানৰ প্ৰসাৰৰ বাবে সুযোগ সৃষ্টি কৰা হয়। অসমৰ অৰ্থনীতিত প্ৰধানকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল আৰু এই কৃষি অৰ্থনীতি ধানৰ উৎপাদনৰ ওপৰতে বিশেষকৈ নিৰ্ভৰ কৰে। সম্প্ৰতি অসমৰ ৰঙা বাওধানৰ ১ কেজি চাউলৰ মূল্য দেশীয় বজাৰত ৪০০ৰ পৰা ৫০০ টকা পৰ্যন্ত হৈছে বুলি কালিৰ সভাত অসম কৃষি বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা প্ৰকাশ কৰা হয়। অসমে অতি শীঘ্ৰেই দেশীয় ধানৰ বজাৰত ৪০০ কোটিৰ অংশীদাৰিত্ব লাভ কৰিব পাৰে বুলিও কৃষি বিশ্ববিদ্যালয়ে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক ডং সঞ্জয় কুমাৰ চেতিয়া, বিজ্ঞানী ডং ধীৰেণ চৌধুৰী আৰু বিজ্ঞান গুৰু ডং উমা তামুলী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০

সমাপ্ত